Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

Planning around a text

এটা পাঠৰ পৰিকল্পনা



Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

CC BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.

TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

Video resources

Some of the activities in this unit are accompanied by the following icon: *. This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0   EE07v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/
TESS-India is led by The Open University UK and funded by UK aid from the UK government

এই গোটটো কিহৰ বিষয়ে (What this unit is about)

কোনো গল্প, লিখনি বা পাঠ্যপুথিৰ পাঠৰ লগত জড়িত কৰি কেনেকৈ বিভিন্ন ভাষা আৰু সাহিত্যৰ ত্রি য়া-কলাপ পৰিকল্পনা কৰিব পাৰি এই গোটত তাৰেই আলোচনা কৰা হৈছে। এই ত্রি য়া-কলাপসমূহৰ কাৰণে প্রয়োজনীয় দলগত কার্য ব্যৱস্থা সম্পর্কে গোটটোত দৃষ্টিপাত কৰা হৈছে।

এটা গল্প, কবিতা বা বাতৰি কাকতৰ প্রৱন্ধৰ সহায়ত কৰিব পৰা বহুতো কাম আছে। ইংৰাজী পাঠৰ বাবে নির্বাচিত যিকোনো এটা লিখনিৰ লগত জড়িত কার্যাৱলীসমূহ ইংৰাজী ভাষাৰ কৌশল শিকাৰ ক্ষেত্রত ছাত্র-ছাত্রীৰ আৰম্ভণি হ'ব পাৰে।

ছাত্র-ছাত্রীসকলে নতুন অভিজ্ঞতা ভাল পায়। অৱশ্যে তেওঁলোকে এনেকুৱা ৰুটিনো ভাল পায়, য'ত ছাত্র-ছাত্রীসকলে নতুন কৌশল আৰু মনৰ ভাব বা ধাৰণাসমূহৰ পুনৰাবৃত্তি কৰি সেইবোৰৰ অনুশীলন কৰিব পাৰে। এই কার্যটোৱে ইয়াকে বুজায় যে আপুনি ইংৰাজী পঢ়ুৱাবৰ বাবে নির্বাচন কৰা পাঠৰ লগত সংগতি থকা বিভিন্ন ধৰণৰ কার্যাৱলী পৰিকল্পনা কৰি উলিওৱাৰ বাবে প্রস্তুত থাকিব লাগিব। লগতে আপুনি ছাত্র-ছাত্রীৰ বিভিন্ন দল আৰু শ্রেণীৰ বাবেও বিভিন্ন কার্যাৱলী গ্রহণ কৰিব লাগিব।

এই গোটটোত থকা কার্যাৱলীসমূহে আপোনাক আপুনি নির্বাচন কৰি লোৱা পাঠৰ ভিত্তিত যুগুতোৱা বিভিন্ন কার্যসমূহৰ পৰিকল্পনা প্রস্তুতকৰণ, ব্যৱস্থাপনা আৰু মূল্যায়নৰ মাজেৰে একাদিত্র মে লৈ যোৱাত সহায় কৰিব।

এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- ইংৰাজী পাঠ্যপুথিৰ পাঠসমূহ বহলোৱা বা সম্প্রসাৰিত কৰা
- ইংৰাজী পাঠৰ লগত জড়িত কার্যসমূহ পৰিকল্পনা কৰা
- ইংৰাজী শিকোৱাৰ ক্ষেত্রত শ্রেণী ব্যৱস্থাপনাৰ কৌশলসমূহৰ বিকাশ কৰা

১) এটা গল্প, বিভিন্ন ত্রি য়া-কলাপ (1 One story, many activities)

আপুনি যেতিয়া কোনো এটা গল্প বা কবিতাৰ লগত সংগতি ৰাখি বিভিন্নধৰণৰ ত্রি য়া-কলাপ পৰিকল্পনা কৰে, তেতিয়া আপুনি ছাত্র-ছাত্রীৰ ভাষা শিকাৰ প্রয়োজনক সম্বোধন কৰিব পাৰে। ঘটনা অধ্যয়ন ১ ত শিক্ষকে পৰিচিত গল্প এটাৰ লগত জড়িত বিভিন্ন ত্রি য়া-কলাপ পৰিকল্পনা কৰে।

ঘটনা অধ্যয়ন ১ ঃ মৈত্রেয়ী দেৱীয়ে মিশ্রিত বয়সৰ কাৰণে বিভিন্ন কার্য পৰিকল্পনা কৰে (Case Study 1: Maitrayee Devi plans multiple activities for mixed ages)

মৈত্রেয়ী দেৱীয়ে এটা মিশ্রিত বয়সৰ ছাত্র-ছাত্রীৰ প্রথম, দ্বিতীয় আৰু তৃতীয় শ্রেণীত পঢ়ুৱায়।

মোৰ শ্রেণীত বিভিন্ন বয়সৰ আৰু বিভিন্ন দক্ষতাৰ ছাত্র-ছাত্রী আছে। বেলেগ বেলেগ দলক বেলেগ বেলেগ ভাষাৰ কিতাপ দিয়াৰ সলনি মই কোনো এটা গল্পৰ আধাৰত শিকন কার্যসমূহ পৰিকল্পনা কৰোঁ যাতে প্রত্যেক দলে তেওঁলোকৰ নিজস্ব স্তৰ অনুসৰি সফলতা লাভ কৰিব পাৰে।

উদাহৰণস্বৰূপে, মোৰ সকলো ছাত্র-ছাত্রীয়ে 'The Puri Boy' নামৰ গল্পটো ভাল পায় (সমল ১ চাওক)। এই গল্পটোৰ কাৰণে মই বিভিন্ন বয়সৰ ছাত্র-ছাত্রীৰ বাবে চাৰিটা ত্রি য়া-কলাপৰ পৰিকল্পনা কৰিছোঁ। মই ছাত্র-ছাত্রীসকলক কেইটামান দলত ভাগ কৰিলোঁ আৰু এই দলসমূহৰ এখন তালিকা (wall chart) দেৱালত আঁৰি দিলো। তাৰপাছত মই দলসমূহ এনেদৰে সজালোঁ যাতে সপ্তাহৰ প্রত্যেক দিনাই এটা দলে Puri Boy ৰ ত্রি য়া-কলাপ কৰিবৰ বাবে শ্রেণীকোঠাৰ নির্দিষ্ট এডোখৰ ঠাইত কাম কৰিবলৈ সুবিধা পায়। কম বয়সীয়া ছাত্র-ছাত্রীসকলে মোৰ সৈতে কাম কৰে আৰু ডাঙৰসকলে স্বাধীনভাৱে কাম কৰে —এইটো শিকনৰ বাবে এটা ভাল কৌশল।

দুইসপ্তাহৰ ভিতৰত মই দলসমূহক প্রত্যেকটো ত্রি য়া-কলাপৰ মাজেৰে শিকাৰ সুবিধা দিলোঁ। মই আন এখন তালিকা দেৱালত ওলোমাই থ'ব পৰাকৈ প্রস্তুত কৰিলোঁ। যিখন তালিকাৰ জৰিয়তে প্রত্যেক দিনাই প্রতিটো দলে কি কাম কৰিব সেয়া জানিব পৰা যাব। দলসমূহৰ নামৰ তালিকা আৰু কামৰ তালিকাই ছাত্র-ছাত্রীসকলক ইংৰাজী পঢ়াৰ ক্ষেত্রত অনুপ্রেৰণা যোগায়।

মাজে মাজে মই দলসমূহৰ ছাত্র-ছাত্রীক এনেদৰে দলত ভগাই দিও যাতে কম বয়সীয়া ছাত্র-ছাত্রীসকলক ডাঙৰ কেইগৰাকীয়ে সহায়

কৰিব পাৰে। লগতে মই ডাঙৰ কেইগৰাকীয়ে কম বয়সীয়া ছাত্ৰ-ছাত্ৰীসকলতকৈ বেছি লিখিব পৰাটো বিচাৰোঁ।

এয়াই হৈছে Puri Boy গল্পৰ কাৰণে পৰিকল্পনা কৰা মোৰ ত্ৰি য়া-কলাপসমূহ। আপুনি অনুমান কৰিব পাৰেনে কোনটো দলে মোৰ সৈতে কাম কৰিলে আৰু কোনটো দলে স্বাধীনভাৱে কাম কৰিলে?

১. অন্যান্য জন্তু যেনে- কুকুৰ, ছাগলী, ষাঁড় গৰু, হাতী বা বান্দৰ আদিৰ লগতে সিহঁতে কৰা মাতসমূহৰ সৈতে পৰিচিত কৰাই গল্পটো মৌখিকভাৱে বহলাই লওক। ছাত্ৰ-ছাত্ৰীসকলে এই জন্তুবিলাকৰ নাম সিহঁতৰ মাতৃভাষাতে মোক ক'ব।

২. ব'ৰ্ডত লিখি থোৱা শব্দবোৰ পঢ়া আৰু অনুশীলন কৰা ঃ
   - Run, run, as fast as you can
   - Jump, jump, as high as you can
   - Skip, skip, as far as you can
   - Walk, walk, as far as you can

বিশেষ প্ৰয়োজনত শাৰীৰিকভাৱে অক্ষম ছাত্ৰ-ছাত্ৰীসকলে যাতে আচহুৱা অনুভৱ নকৰে তাৰবাবে তলৰ কাৰ্যসমূহ ব্যৱহাৰ কৰিব পাৰি ঃ
   - Eat, eat as much as you can
   - Clap, clap as loud as you can
   - Sleep, sleep as long as you can

৩. **শব্দৰ সন্ধান** (Word search) ঃ ছাত্ৰ-ছাত্ৰীসকলে তলৰ শব্দবোৰৰ মাজত লুকাই থকা শব্দ বা শব্দসমূহ বিচাৰি উলিয়াব - catch, woman, late, fast and dough কম সক্ষম আৰু সৰু ছাত্ৰ-ছাত্ৰীসকলে ছবি আৰু শব্দসমূহ মিলাব।

৪. **যোৰ যোৰকৈ ইংৰাজীৰ সংলাপ লিখা আৰু অনুশীলন কৰা** (Practise and write English dialogue in pairs) ঃ এজন ছাত্ৰই লুচীৰ ভাও লৈ কথা ক'ব আৰু আনবিলাক ছাত্ৰই লুচীৰ লগত কথা পাতিব। গল্পৰ শব্দ আৰু খণ্ডবাক্যসমূহ ব্যৱহাৰ কৰি আৰম্ভ কৰা আৰু আন ইংৰাজী খণ্ডবাক্য ব্যৱহাৰ কৰা যেনে - 'Oh no! Don't eat me! I will run away!'

মই সদায় বিস্তাৰিত ত্ৰি য়া-কলাপ কিছুমান অধিক সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰিকল্পনা কৰো। যেনে —

- **গল্পৰ বিস্তাৰণ আৰু পৃথক সমাপ্তি** (Story extension and different endings)ঃ যদি শিয়ালটোৱে পুৰীক নাখালেহেঁতেন তেতিয়া কি হ'লহেঁতেন কোৱা বা লিখা।
- নতুন চৰিত্ৰৰ সৃষ্টি কৰা, যেনে - কথা কোৱা মটৰ গাড়ী, কথা কোৱা পুতলা বা কথা কোৱা ৰুটী আৰু এই নতুন চৰিত্ৰবোৰৰ সহায়ত নতুন গল্প কোৱা বা লিখা।

শেষত মই গোটেই শ্ৰেণীটোৰ কাৰণে ত্ৰি য়া-কলাপসমূহ পৰিকল্পনা কৰোঁ। এই ত্ৰি য়া-কলাপে প্ৰত্যেকৰে বাবে একেলগে শিকাটো সম্ভৱ কৰি তোলে।

- **মুখা বনোৱা** (Mask making) ঃ গল্পটোৰ যিকোনো এটা চৰিত্ৰৰ ছবি কাগজত আঁকা। চকু দুটা কাটি উলিওৱা। মুখাটোৰ যিকোনো এটা ফালে এটা ফুটা কৰা। ফুটা কেইটা চিলোৱা আৰু মূৰকেইটা বান্ধি দিয়া। হাতৰ কামৰ নিৰ্দেশনাৰ জৰিয়তে অতিৰিক্ত শব্দ শিকা। যেনে - 'draw', 'cut', 'string', 'eyes' etc. বনোৱা বস্তুবিলাকৰ নামসমূহ ইংৰাজীত লিখি দিয়া।

- **চিত্ৰনাট্য ৰচনা** (Playscript writing) ঃ চৰিত্ৰসমূহৰ মাজৰ সংলাপ, নতুন চৰিত্ৰ ব্যৱহাৰ কৰি গল্পটো অভিনয়, নতুন শব্দ আৰু মুখাৰ ব্যৱহাৰ।

ছাত্ৰ-ছাত্ৰীসকলে গল্পটোলৈ পুনৰ ঘূৰি আহিবলৈ আমনিবোধ নকৰে। এটা গল্পৰ আঁত ধৰি বিভিন্ন ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰা ছাত্ৰ-ছাত্ৰীৰ লগত মোকো পৰিচিত আৰু ধেমেলীয়া কথাৰ মাজেৰে ইংৰাজী অনুশীলন কৰাৰ বাবে বাৰম্বাৰ সুবিধা প্ৰদান কৰিছে। এটা লিখনিক কেন্দ্ৰ কৰি সৃষ্টি কৰা বিভিন্ন ত্ৰি য়া-কলাপসমূহৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী ব্যৱহাৰ কৰাত আত্মবি ধাসৰ বিকাশ ঘটে আৰু মই দলগতভাৱে কাম কৰোঁতে ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়নৰ সুযোগ লাভ কৰোঁ।

চিন্তন (Pause for thought)

- আপুনি ভাবেনে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে এনেকুৱা গল্পভিত্তিক পাঠ উপভোগ কৰিব? কিয় কৰিব বা কিয় নকৰিব?

- এগৰাকী শিক্ষক হিচাপে এনেদৰে পাঠৰ ব্যৱস্থা কৰাত আপোনাৰ কাৰণে কি কি অসুবিধা আছে?
- আপুনি ভাবেনে যে আপুনি সকলোবিলাক নহ'লেও এনেধৰণৰ কিছুমান অধ্যয়ন কাল (session) ভালদৰে কৰাত সফল হ'ব পাৰিছে?

পৰৱৰ্তী ত্রি য়া-কলাপে আপোনাক বিভিন্ন ত্রি য়া-কলাপৰ পৰিকল্পনা, ব্যৱস্থাপনা আৰু মূল্যায়নত সহায় কৰিব।

ত্রি য়া-কলাপ ১ঃ এটা গল্পৰ সহায়ত বিভিন্ন ত্রি য়া-কলাপৰ পৰিকল্পনা (Activity 1: Plan multiple activities with a story)

যদি সম্ভৱ হয়, আপোনাৰ সহকৰ্মীসকলৰ সৈতে এই ত্রি য়া-কলাপটো কৰক। তলৰ চুটি গল্পটো ব্যৱহাৰ কৰক বা আপোনাৰ ইংৰাজী পাঠ্যপুথিৰ পৰা এটা গল্প নিজে বাছি লওক।

'Raja'
Raja called Shyama to come and play with him. Shyama said that he had to work and could not play. Raja went to a field with a ball. Raja saw honey bees and called them to play. The honey bees said they could not play as they had to work. He then saw ants. Raja called out, 'Ants! Ants! Come let us play!' 'No, we cannot play. We have to work,' said the ants. Raja went home. He helped his father at work. Father said, 'You are a good boy.' Raja felt happy.

চিন্তাৰ উদ্রেক (brainstorm) ৰ সহায়ত আৰু ৰাজাই খেলৰ সংগী বিচৰা গল্পটোৰ আধাৰত সম্ভাব্য ত্রি য়া-কলাপসমূহৰ তালিকা প্ৰস্তুত কৰক। নিম্নলিখিত উপাদানসমূহ জড়িত কৰিব পৰা ত্রি য়া-কলাপৰ বিষয়েও চিন্তা কৰক।

- কলা আৰু হস্তশিল্প (art and craft)
- খেল-ধেমালি (games)
- নাটক, সংলাপ আৰু অভিনয় (drama, dialogue or role plays)
- পঠন (reading)
- লিখন (writing)
- ইংৰাজী ব্যৱহাৰ কৰি, অন্যান্য বিষয়ৰ সৈতে সংযোগ স্থাপন (links to other subjects, using English)

এই ত্রি য়া-কলাপ কৰি থাকোঁতে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন দক্ষতাৰ কথা ভাবক। এই ত্রি য়া-কলাপবোৰে ছাত্ৰ-ছাত্ৰীৰ শিকনত কেনেকৈ সহায় কৰিব?

ৰাজাৰ কাহিনীটোৰ কাৰণে তৃতীয় শ্ৰেণীৰ শিক্ষকৰ দল এটাই কি চিন্তা কৰিছিল সেয়া ইয়াত উল্লেখ কৰা হৈছে। প্ৰত্যেক ত্রি য়া-কলাপতে ইংৰাজী পঠন, লিখন আৰু কথনৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

- **হস্তশিল্প কাৰ্য (Craft activity)** ঃ কীট-পতংগ আৰু জন্তুৰ মুখা প্ৰস্তুত কৰা। শ্ৰেণীত থকা দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীৰ কাৰণে অন্য ছাত্ৰ-ছাত্ৰীসকলে মুখাৰ নক্সা প্ৰস্তুত কৰি দিব। সজুঁলি আৰু সামগ্ৰীসমূহ (mask, paper, scissors, paint, string) ৰ নাম ইংৰাজীত লিখক।
- **নাটক/অভিনয় (Drama/role play)** ঃ শিল্প কাৰ্যত প্ৰস্তুত কৰা মুখাৰ সহায়ত আৰু ৰাজাৰ বন্ধুৰ সহযোগত সংলাপসমূহ ইংৰাজী উচ্চাৰণ আৰু কথনৰ অনুশীলন কৰাওক।
- **পঠন আৰু শব্দ সম্ভাৰৰ বিকাশ (Reading and vocabulary development)** ঃ চক্‌বৰ্ড নাইবা পাঠ্যপুথি চাই 'Come, let us play' আৰু 'No, we cannot play' বাক্য দুটা ডাঙৰকৈ পঢ়ক। শব্দ সলনি কৰি একেলগে পঢ়িব যেনে - 'come let us dance', 'come let us cook' বা 'come let us sing' আৰু 'No, we cannot dance/cook/sing. নতুন শব্দৰ ওপৰত গুৰুত্ব দিব।
- **লিখন (Writing)** ঃ গল্পটোৰ পৰা এলানি দৃশ্য অংকন কৰি speech bubbles ত সংলাপ লিখক। লিখাৰ ক্ষেত্ৰত সমস্যা থকা ছাত্ৰ-ছাত্ৰীসকলক দৃশ্যসমূহৰ নামাকৰণ কৰিবলৈ উদ্‌গনি যোগাব। ইংৰাজীত লিখাৰ প্ৰচেষ্টাক অনুপ্ৰাণিত কৰিব।
- **অন্য বিষয়ৰ সৈতে সংযোগ (Links to other subjects)** ঃ কীট-পতংগ আৰু জন্তুৰ বাসস্থান আৰু এই দুবিধ প্ৰাণীৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে ব্যাখ্যা দিবলৈ ইংৰাজী ব্যৱহাৰ কৰক। ভাষা পাঠৰ উপৰিও অন্যান্য ক্ষেত্ৰত ইংৰাজী ব্যৱহাৰ কৰক।

এতিয়া এটা চুটি গল্প বা কবিতা ব্যৱহাৰ কৰি আপুনি কাৰ্যকৰী কৰিব পাৰিম বুলি ভবা তিনিটা কাৰ্য বাছি লওক। এনে এটা পাঠ বাছি

লওক যাতে আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠটি উপভোগ কৰিব পাৰে। লগতে এনে কাৰ্য বাছি লওক যাতে আপুনি ছাত্ৰ-ছাত্ৰীৰ সৈতে বিশ্বাসেৰে কাৰ্যটো কৰিব পাৰে। আপুনি খেলা-ধূলা বা হস্ত শিল্প কাৰ্যত অধিক বিশ্বাসী হ'ব পাৰে নাইবা পঢ়নৰ সৈতে জড়িত কাৰ্যত আপুনি অধিক নিৰাপদ অনুভৱ কৰিব পাৰে। যেতিয়া আপুনি এটা গল্প নিৰ্বাচন কৰি লয় আৰু কিছুমান কাৰ্য সম্বন্ধে চিন্তা কৰে, আপোনাৰ ধাৰণা বা ভাবসমূহ সহকৰ্মীৰ সৈতে আলোচনা কৰক। তেওঁলোকৰ মন্তব্য লওক আৰু আপোনাৰ ভাবসমূহ সংশোধন কৰক।

চিন্তন (Pause for thought)

- আপুনি ছাত্ৰ-ছাত্ৰীসকলক বয়স অনুযায়ী বা সক্ষমতা অনুযায়ী দলত ৰাখিবনে?
- আপুনি বেলেগ বেলেগ ত্রি য়া-কলাপত দুটা বা তিনিটা দল ৰাখিব নে একেটা ত্রি য়া-কলাপৰ বাবে এটা দলেই ৰাখিব?
- আপুনি আপোনাৰ শ্ৰেণীকোঠাৰ স্থান কেনেকৈ ঠিক কৰিব?
- কি কি সমল আপোনাৰ প্ৰয়োজন হ'ব?
- আপোনাৰ পৰিকল্পনাসমূহৰ বিষয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীক আপুনি কেনেকৈ অৱগত কৰাব?
- শিক্ষণৰ প্ৰয়োজনীয়তা থকা ছাত্ৰ-ছাত্ৰীৰ কাৰণে আপোনাৰ কেনেধৰণৰ অতিৰিক্ত পৰিকল্পনাৰ প্ৰয়োজন হ'ব?

সমল ২ চাওক। দলগত কাৰ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক বিভিন্ন ত্রি য়া-কলাপৰ বাবে সংগঠিত কৰিবলৈ শিকক।

এতিয়া বিস্তৃত সংযোগেৰে ত্রি য়া-কলাপসমূহ পৰিচালনা কৰক।

ত্রি য়া-কলাপ ২ঃ বিভিন্ন ত্রি য়া-কলাপৰ বাবে বিস্তৃত পৰিকল্পনা (Activity 2: Detailed plans for multiple activities)

পৰিকল্পনা বিস্তৃত আৰু নমনীয় হ'লে একাধিক ত্রি য়া-কলাপ ফলপ্ৰসূ হ'ব। ইয়াত কিছুমান দিশ বিবেচনাৰ বাবে দিয়া হ'ল।

সময় নিৰ্ধাৰণ (Timing)

নিৰ্দেশনা দিয়াৰ পৰা আৰম্ভ কৰি, ছাত্ৰ-ছাত্ৰীৰ দল বিভক্ত কৰা, সা-সৰঞ্জামৰ স্থানান্তৰ কৰা আৰু সমল বিতৰণ আদিকে ধৰি প্ৰত্যেকটো ত্রি য়া-কলাপৰ বাবে আপুনি কিমান সময় বিচাৰিব?

উদাহৰণস্বৰূপে, ১ নং ঘটনা অধ্যয়ন 'Puri Boy' ৰ ত্রি য়া-কলাপৰ বাবে ঃ

- গল্প বৰ্ণনা কৰা বা পঢ়া ঃ ২০ মিনিট
- নতুন ত্রি য়াযুক্ত শব্দ (action words) শিকোৱা আৰু অনুশীলন কৰোৱা ঃ ১৫ মিনিট (ছাত্ৰ-ছাত্ৰীসকলক বৃত্তাকাৰে থিয় হৈ শুনিবলৈ কোৱা আৰু পুনৰাবৃত্তি কৰিবলৈ কোৱা ইত্যাদিক ধৰি)
- মুখা প্ৰস্তুতকৰণ ঃ ৩০ মিনিট (সমল বিতৰণ আৰু নিৰ্দেশনাৰ পুনৰাবৃত্তি সামৰি)

আপুনি জানে যে সকলো কাম ভালদৰে কৰিবলৈ এটা পিৰিয়ডৰ সময় যথেষ্ট নহয়। ত্রি য়া-কলাপসমূহ সেয়েহে দুটা বা তাতকৈ অধিক পিৰিয়ডৰ বাবে পৰিকল্পনা কৰিব লাগে বা সপ্তাহটোৰ বেলেগ বেলেগ দিনৰ বাবে প্ৰস্তুত কৰিব লাগে। ত্রি য়া-কলাপসমূহ ব্যাঘাত নজন্মোৱাকৈ কৰিবলৈ আপুনি বিদ্যালয়ৰ কেলেণ্ডাৰ (school calendar) চাই সঠিক সময় নিৰ্ধাৰণ কৰি ল'ব পাৰে।

ইংৰাজী ভাষা (English language)

ত্রি য়া-কলাপসমূহ ইংৰাজী শিকনৰ উপযুক্ত কৰি প্ৰস্তুত কৰক। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কি কি শব্দ বা খণ্ডবাক্য অনুশীলন কৰাটো বিচাৰে? আপুনি কেনেকৈ এইবোৰৰ ব্যৱহাৰ নিশ্চিত কৰিব? এই শব্দ আৰু খণ্ডবাক্যসমূহৰ এখন তালিকা প্ৰস্তুত কৰক। আপুনি শ্ৰেণীকোঠাত ব'ৰ্ড বা প'ষ্টাৰ হিচাপে এই তালিকা প্ৰদৰ্শন কৰিব পাৰে।

শ্ৰেণীকোঠাৰ স্থান আৰু সংগঠন (Classroom space and organisation)

আপোনাৰ শ্ৰেণীকোঠাটো যি ধৰণে সজোৱা হৈছে সেয়া সলোৱাৰ প্ৰয়োজনবোধ আপুনি কৰিব পাৰে। আপুনি চকী আৰু ডেস্কবোৰৰ স্থান পৰিৱৰ্তন কৰিব বিচাৰেনে? ছাত্ৰ-ছাত্ৰীসকলে এই কাম কৰাত আপোনাক সহায় কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক কাম আৰম্ভ

কৰিবলৈ, স্থগিত কৰিবলৈ বা এটা কামৰ পৰা আন এটা কাম কৰিবলৈ আপুনি ছাত্ৰ-ছাত্ৰীক কেনেকৈ সংগঠিত কৰিব? ছাত্ৰ-ছাত্ৰীসকলক সংগঠিত কৰিবলৈ আৰু তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ ইংৰাজী শব্দ আৰু খণ্ডবাক্যৰ অনুশীলন কৰাওক। ইয়াত কেইটামান উদাহৰণ দিয়া হ'ল —

- 'Turn around and face each other.'
- 'Turn your chairs around.'
- 'Form a circle.'
- 'Move around quietly.'
- 'Listen to me.'
- 'Is everyone ready?'
- 'Please stop and look at me.'
- 'It's time to stop now.'

এতিয়া আপোনাৰ কাম, আপোনাৰ শ্ৰেণীকোঠা আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত সম্পৰ্ক থকা কিছুমান খণ্ডবাক্য, শব্দ লওক। এইবোৰ ঘৰত বা আপোনাৰ সহকৰ্মীৰ সৈতে অনুশীলন কৰক।

সমল আৰু শ্ৰেণীকোঠা ব্যৱস্থাপনা (Resources and classroom management)

আপোনাৰ প্ৰয়োজন হ'ব পৰা সমলসমূহৰ এখন তালিকা প্ৰস্তুত কৰক। এই সমলসমূহৰ বিতৰণ আপুনি কেনেকৈ কৰিব? উদাহৰণস্বৰূপে, আপুনি কৰিব পাৰে —

- সমলসমূহ আগতীয়াকৈ টেবুলৰ ওপৰত সজাই দিয়ক আৰু প্ৰত্যেকখন টেবুলৰ ওচৰত কেইজন ছাত্ৰ-ছাত্ৰী থাকিব সেইবিষয়ে নিৰ্দেশনা দিয়ক।
- ছাত্ৰ-ছাত্ৰীসকলক নিজে নিজে দলত বিভক্ত হ'বলৈ কওক আৰু দলত একোজনকৈ সদস্যক সমল তুলি লোৱাৰ দায়িত্ব দিয়ক।
- ছাত্ৰ-ছাত্ৰীসকলৰ নামবোৰ মাতি দিয়ক আৰু তেওঁলোকক সমলসমূহ সংগ্ৰহ কৰিবলৈ কওক।

এতিয়া আপুনি এটা গল্প বা লিখনিৰ ভিত্তিত একাধিক ক্ৰিয়া-কলাপৰ বাবে পাঠসমূহত নিৰ্ধাৰিত সময় অনুসৰি এটি বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰক। আপুনি ইংৰাজী ভাষাৰ কি বিষয় শিকাব আৰু ছাত্ৰ-ছাত্ৰীক সেইবোৰ ব্যৱহাৰ কৰিবলৈ কেনেকৈ অনুপ্ৰাণিত কৰিব আৰু কি সমল প্ৰয়োজন হ'ব আদি কথাৰ ওপৰত এই পৰিকল্পনা নিৰ্ভৰ কৰিব।

আপোনাৰ পৰিকল্পনা আপোনাৰ সহকৰ্মীৰ সৈতে পুনৰ নিৰীক্ষণ আৰু আলোচনা কৰক। প্ৰয়োজন সাপেক্ষে নতুনকৈ ইয়াৰ ওপৰত কাম কৰক।

২) শ্ৰেণীকোঠাত বিভিন্ন ক্ৰিয়া-কলাপ (2 Multiple activities in the classroom)

বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা আৰু মিশ্ৰিত বয়সৰ তথা মিশ্ৰিত সামৰ্থ থকা ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী নিয়ন্ত্ৰণ কৰিবলৈ বিভিন্ন কাৰ্যাৱলী ফলপ্ৰসূ হ'ব পাৰে। যেতিয়া আন দলসমূহে আন আন কাম কৰি থাকে তেতিয়া নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীৰ দলক বেলেগকৈ ৰাখি অধিক কথা বতৰা, আপোনাৰ সৈতে পঢ়া বা লিখা কাৰ্যসমূহ আপোনাৰ বাবে এক সুযোগ হ'ব পাৰে। এইদৰে প্ৰত্যেক ছাত্ৰই আপোনাৰ সৈতে সপ্তাহৰ কোনো এক সময়ত মনোযোগেৰে পঢ়াৰ সুযোগ পাব। যেতিয়া আপুনি এটা সৰু দলৰ সৈতে পঢ়ে তেতিয়া আপুনি প্ৰত্যেকৰে পঠনৰ বিকাশ মূল্যায়ন কৰাৰ সুযোগ পাব।

ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কামত ব্যস্ত হৈ থকাৰ সময়ত আপুনি কি কৰিব চিন্তা কৰি লোৱাটো প্ৰয়োজন। আপুনি পাঠ পঢ়ি থকাৰ সময়ত প্ৰত্যেক দলৰ ওচৰলৈ যাব পাৰে আৰু তেওঁলোকৰ অগ্ৰগতি চোৱা-চিতা কৰিব পাৰে। যেতিয়া আপুনি দলীয় কাৰ্য আৰম্ভ কৰে ছাত্ৰ-ছাত্ৰীসকলে কামটো কৰিছে নে নাই সেইটো নিশ্চিত কৰাটো দৰকাৰ। কিন্তু কামটো মাত্ৰ দহ মিনিটৰ কাৰণে হ'লে ছাত্ৰ-ছাত্ৰীক নিজে স্বাধীনভাৱে কামটো কৰিবলৈ অনুপ্ৰেৰণা দিব লাগে। ই ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনভাৱে শিকাৰ কৌশল গঢ়ি তুলিবলৈ সহায় কৰিব।

অতিৰিক্ত কথা বা ঘটনাৰ বাবে পৰিকল্পনা কৰিবলৈ মনত ৰাখিব। আপোনাৰ পৰিকল্পনাত কি ভুল হ'ব পাৰে বা পৰিকল্পনাৰ পথত কি বাধা আহিব পাৰে বাৰু? ছাত্ৰ-ছাত্ৰীসকল এইধৰণে কাম কৰাত অভ্যস্ত নহ'ব পাৰে বা তেওঁলোকে আপোনাৰ নিৰ্দেশনা নুবুজিবও পাৰে। আপুনি আপোনাৰ কাৰ্যৱলী নতুনকৈ সংগঠিত কৰিবলৈ বা নিৰ্দেশনাসমূহ পুনৰ গঠন কৰিবলৈ সাজু থকা উচিত।

ছাত্ৰ-ছাত্ৰীক স্পষ্ট নিৰ্দেশনা দিয়ক যাতে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ আচৰণত কি কৰা উচিত সেইয়া বুজি পায়। নিৰ্দেশনাসমূহ পুনৰাবৃত্তি কৰক আৰু ছাত্ৰ-ছাত্ৰীসকলকো পুনৰাবৃত্তি কৰিবলৈ উদ্‌গনি যোগাওক যাতে তেওঁলোকে তেওঁলোকৰ বোধগম্যতা নিশ্চিত কৰিব পাৰে। অনুশীলনৰ কাৰণে আপুনি সুযোগ বিচাৰি লওক আৰু এই ভূমিকাত আপুনি আপোনাৰ বাবে ইংৰাজীত কথা কওক।

আৰম্ভণিতে আপুনি শ্ৰেণী আৰু দলসমূহ ব্যৱস্থাপনা কৌশলৰ অন্তৰ্গত কৰি এক বিস্তৃত পৰিকল্পনা ল'ব পাৰে। সময় যোৱাৰ লগে লগে আপুনি এই কাৰ্যাৱলীসমূহ সংগঠিত কৰিবলৈ সহজ পাব। কাৰণ ছাত্ৰ-ছাত্ৰীসকলো এই ৰুটিনৰ সৈতে অভ্যস্ত হৈ পৰিব।

আপুনি যেতিয়া ত্ৰি য়া-কলাপ ১ আৰু ২ ৰ পৰিকল্পনাসমূহ কাৰ্যকৰী কৰিব তেতিয়া এই প্ৰ.সমূহৰ উত্তৰ দিয়াৰ চেষ্টা কৰিব যাতে আপুনি ইয়াৰ পৰিণামসমূহৰ পৰা শিকিব পাৰে আৰু ভৱিষ্যতৰ পাঠৰ ক্ষেত্ৰত এইবোৰ প্ৰয়োগ কৰিব পাৰে ঃ

- আপুনি আটাইতকৈ বেছি কি উপভোগ কৰিছিল আৰু কিয়?
- ছাত্ৰ-ছাত্ৰীসকলে কি উপভোগ কৰিছিল?
- অধিক ভালকৈ কি পৰিকল্পনা কৰিব পৰা গ'লহেঁতেন?
- ত্ৰি য়া-কলাপসমূহে ছাত্ৰ-ছাত্ৰীক ইংৰাজী অনুশীলন কৰাৰ ক্ষেত্ৰত কিমান সুবিধা প্ৰদান কৰিছে?
- বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনসমূহ পূৰণ কৰিবৰ বাবে আপুনি ত্ৰি য়া-কলাপ সমূহত ভিন্নতা কেনেকৈ অনাৰ পৰিকল্পনা কৰিছিল?
- আপোনাৰ নিজৰ ক্ষেত্ৰত ইংৰাজী অনুশীলনৰ কি সুবিধা তাত আছিল?
- পৰৱৰ্তী সময়ত আপুনি পৃথককৈ কি কৰিব?

ভি. ডি. অ' ঃ পাঠসমূহৰ পৰিকল্পনা (Video: Planning lessons)

৩) সাৰাংশ (3 Summary)

পাঠ্যপুথিৰ পাঠসমূহৰ অন্তৰ্নিহিত কথাসমূহ বিস্তৃতভাৱে দেখুৱাবলৈ আপুনি কিদৰে ত্ৰি য়া-কলাপসমূহ সংগঠন কৰিব পাৰে সেই বিষয়ে এই গোটটোৱে আলোকপাত কৰিছে। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী শিকিব আৰু অনুশীলন কৰিব পাৰে। ইংৰাজী ভালদৰে শিকিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আপুনি সংগঠিত কৰি দিয়া বিভিন্ন ধৰণৰ ভাষা অভিজ্ঞতাৰ প্ৰয়োজন।

কেৱল মাত্ৰ পাঠ্যপুথি ব্যৱহাৰৰ জৰিয়তে ইংৰাজী কোৱাৰ সাৱলীলতাৰ বিকাশ ঘটাব নোৱাৰি। সৌভাগ্যত্ৰ মে, ভাৰতৰ ৰাষ্ট্ৰীয় পাঠ্যত্ৰ ম আৰু অধিকসংখ্যক ৰাজ্যিক পাঠ্যত্ৰ মে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন সাপেক্ষে অতিৰিক্ত কাৰ্যাৱলী বাছি লোৱাৰ আৰু পৰিকল্পনা কৰাৰ স্বাধীনতা প্ৰদান কৰিছে। গতিকে এক আকৰ্ষণীয় আৰু অৰ্থপূৰ্ণ ভাষা শিকাৰ কাৰ্যাৱলীৰ কাৰণে আপুনি আপোনাৰ ইংৰাজী পাঠ্যপুথিখন আৰম্ভণি হিচাপে ভাবক য'ত আপুনি আপোনাৰ সৃষ্টিশীলতা আৰু শিক্ষণ কৌশলসমূহ ব্যৱহাৰ কৰিব পাৰে।

প্ৰাথমিক ইংৰাজীৰ বিষয়ৰ শিক্ষকসকলৰ বিকাশৰ বাবে প্ৰস্তুত কৰা এই বিষয়ৰ অন্যান্য গোটসমূহ হৈছে —

- সৃষ্টিশীল কলাৰ জৰিয়তে ইংৰাজী শিকন *(Learning English in the creative arts)*

- ইংৰাজী আৰু বিষয়বস্তুৰ সমন্বিতকৰণ *(English and subject content integration)*
- অংশীদাৰী পঠন *(Shared reading)*
- পঠন বিকাশ আৰু নিৰীক্ষণ *(Developing and monitoring reading)*

সমলসমূহ (Resources)

সমল ১ ঃ 'The Puri Boy' (Resource 1: 'The Puri Boy')

Once upon a time, an old woman and her husband lived alone in a little old house. They had no children. One day the woman made a puri shaped like a boy. She carefully rolled out the dough, and cut out a very nice-looking boy. What a fine looking boy he was!
The old woman put him in the pan full of hot oil, to fry. After he was fully fried and fluffy, she carefully lifted him from the pan. Up jumped the puri boy, and he ran out the door saying, 'Run, run, as fast as you can! You can't catch me! I'm the puri boy!'
The old woman and the old man ran after him, but they could not catch him.

And so the puri boy ran and ran. While he was running, he met a cow.

'Moo,' said the cow. 'You look very fine! Fine enough to eat!' and the cow started to chase the little boy.

But the puri boy ran faster, saying, 'I ran away from an old woman, I ran away from an old man, and I can run away from you!'

And he laughed, 'Run, run, as fast as you can! You can't catch me! I'm the puri boy!'

The cow ran after the puri boy, but it could not catch him.

While he ran, he met a cat.

'Meow,' said the cat. 'You look good enough to eat. I'm going to eat you, puri boy.'

But the puri boy just laughed, 'I ran away from an old woman, I ran away from an old man, I ran away from a cow, and I can run away from you!'

And so he ran singing, 'Run, run, as fast as you can! You can't catch me! I'm the puri boy!'

The cat ran after the puri boy, but it could not catch him. The puri boy was proud that he could run so fast.

'Nobody can catch me,' he thought. So he kept on running until he met a fox. He wanted to tell the fox how he ran faster than all the others.

'Mr Fox,' he said, 'I ran away from an old woman, I ran away from an old man, I ran away from a cow, I ran away from a cat, and I can run away from you.'

'Why would I want to eat you?' asked Mr Fox. 'I do not like puris.'

The puri boy was happy to hear this. He stopped running. Immediately, the fox ate him up. The fox said, 'Sorry, puri boy – I do like puris.'

সমল ২ ঃ দলীয় কাৰ্যৰ ব্যৱহাৰ (Resource 2: Using groupwork)

দলীয় কাৰ্য হৈছে এক পদ্ধতিগত, সক্ৰিয়, শৈক্ষিক কৌশল যিয়ে এক সাধাৰণ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সৰু দলক একেলগে কাম কৰাৰ প্ৰেৰণা যোগায়। এই সৰু দলসমূহে সংগঠিত কাৰ্যাৱলীৰ জৰিয়তে অধিক সক্ৰিয় আৰু অধিক ফলপ্ৰসূ শিকন সম্ভৱ কৰি তোলে।

দলীয় কাৰ্যৰ উপকাৰিতা বা লাভ (The benefits of groupwork)

দলীয় কাৰ্য ছাত্ৰ-ছাত্ৰীসকলক চিন্তা কৰিবলৈ উদ্‌গনি যোগোৱা যোগাযোগ, চিন্তা, ভাৱৰ আদান-প্ৰদান আৰু সিদ্ধান্ত গ্ৰহণ আদিৰ জৰিয়তে শিকিবলৈ অভিৰুচিত কৰাৰ এক ফলপ্ৰসূ মাধ্যম হ'ব পাৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে আনক শিকাব আৰু আনৰ পৰা শিকিব পাৰে, যি শিক্ষণৰ এক শক্তিশালী আৰু সক্ৰিয় ৰূপ হ'ব পাৰে।

দলীয় কাৰ্য বুলিলে ছাত্ৰ-ছাত্ৰীসকল অকল দলত বহি থকাটোকে নুবুজায়। ই এক স্পষ্ট লক্ষ্যৰ সৈতে কাম কৰা আৰু এক অংশীদাৰী শিকন কাৰ্যৰ প্ৰতি অৰিহণা যোগোৱাৰ লগত জড়িত। আপুনি এই ক্ষেত্ৰত স্পষ্ট হোৱাটো প্ৰয়োজন যে আপুনি কিয় শিক্ষণৰ কাৰণে দলীয় কাৰ্য ব্যৱহাৰ কৰিছে আৰু লগতে এইটোও জনা প্ৰয়োজন যে কিয় এই কাৰ্য বক্তৃতা প্ৰদান, যুৰীয়া কাৰ্য বা ছাত্ৰ-ছাত্ৰীসকলে নিজে কৰা কামতকৈ অধিক উপযুক্ত। গতিকে দলীয় কাৰ্য সু-পৰিকল্পিত আৰু উদ্দেশ্যপূৰ্ণ হ'ব লাগে।

দলীয় কাৰ্যৰ পৰিকল্পনা (Planning groupwork)

কেতিয়া আৰু কেনেকৈ আপুনি দলীয় কাৰ্য ব্যৱহাৰ কৰে সেইয়া নিৰ্ভৰ কৰিব পাঠৰ শেষত আপুনি ছাত্ৰ-ছাত্ৰীয়ে কি আয়ত্ব কৰাতো আশা কৰিছে তাৰ ওপৰত। আপুনি পাঠৰ জৰিয়তে আৰম্ভণিতে, শেষত বা মাজত দলীয় কাৰ্য অন্তৰ্ভুক্ত কৰিব পাৰে, কিন্তু আপুনি যথেষ্ট সময় দিব লাগিব। (আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক অতি সুন্দৰভাৱে দলত ভাগ কৰা আৰু তেওঁলোকে ক্ৰিয়া-কলাপটো সম্পূৰ্ণ কৰাৰ কথা আপুনি চিন্তা কৰিব লাগিব)।

এগৰাকী শিক্ষক হিচাপে দলীয় কাৰ্যৰ সফলতা আপুনি নিশ্চিত কৰিব পাৰে যদিহে আপুনি আগতীয়াকৈ পৰিকল্পনা কৰে ঃ

- দলীয় কাৰ্যৰ লক্ষ্য আৰু আকাংক্ষিত ফলাফলসমূহ
- যিকোনো প্ৰতিপুষ্টি বা সাৰাংশকে ধৰি কাৰ্য এটাৰ বাবে ধৰি দিয়া সময়
- দলসমূহ কেনেকৈ বিভক্ত কৰা হ'ব (কেইটা দল, প্ৰত্যেক দলত কেইগৰাকী ছাত্ৰ-ছাত্ৰী, প্ৰত্যেক দলৰ বাবে থকা নিয়ম ইত্যাদি)
- দলসমূহ কেনেকৈ সংগঠিত কৰা হয় (দলৰ বিভিন্ন সদস্যৰ ভুমিকা, প্ৰয়োজনীয় সময়, সামগ্ৰীসমূহ, নথিভুক্তকৰণ আৰু তাৰ বিৱৰণ)
- যিকোনো মান নিৰ্ধাৰণ কাৰ্য আৰু ইয়াক নথিভুক্তকৰণ কেনেকৈ কৰা হ'ব (দলীয় মান নিৰ্ধাৰণৰ পৰা ব্যক্তিগত মান নিৰ্ধাৰণ পৃথক কৰাত সাৱধানতা লওক।)
- দলীয় কাৰ্য আপুনি কেনেকৈ নিৰীক্ষণ কৰিব।

দলীয় কাৰ্য (Groupwork tasks)

ছাত্ৰ-ছাত্ৰীসকলক আপুনি সম্পূৰ্ণ কৰিবলৈ কোৱা কামটো নিৰ্ভৰ কৰিব আপুনি ছাত্ৰ-ছাত্ৰীসকলে কি শিকাটো বিচাৰে তাৰ ওপৰত। দলীয় কাৰ্যত অংশগ্ৰহণৰ জৰিয়তে তেওঁলোকে বিভিন্ন কৌশল, যেনে- এজনে আনজনৰ কথা শুনা, তেওঁলোকৰ মনৰ ভাবসমূহ ব্যাখ্যা কৰা আৰু সহযোগিতাৰে কাম কৰাৰ ওপৰত। যি কি নহওক, ছাত্ৰ-ছাত্ৰীৰ কাৰণে মূল লক্ষ্য হৈছে আপুনি পঢুৱাই থকা বিষয়টো সম্পৰ্কে কিছু কথা জনা। দলীয় কাৰ্যৰ কিছুমান উদাহৰণ তলত উল্লেখ কৰা হৈছে —

- **উপস্থাপন (Presentations) ঃ** ছাত্ৰ-ছাত্ৰীসকলে দলত কাম কৰি শ্ৰেণীৰ অন্যান্য সকলৰ বাবে উপস্থাপন যুগুতায়। ই অতিকৈ ফলপ্ৰসূ হ'ব যদিহে প্ৰতিটো দলে বিষয় বস্তুটোৰ একোটাকৈ বিভিন্ন দিশ লয়। তেতিয়া একেটা বিষয়বস্তুকে কেইবাবাৰো শুনাতকৈ পৰস্পৰৰ কথা শুনিবলৈ আগ্ৰহী হৈ পৰে। প্ৰতিটো দলৰ উপস্থাপনৰ সময় নিৰ্ধাৰণৰ ক্ষেত্ৰত যথেষ্ট কঠোৰ হওক আৰু এটা ভাল উপস্থাপনৰ বাবে নিয়মাৱলী ঠিৰাং কৰি লওক। পাঠটোৰ আগতে সেইবোৰ ব'ৰ্ডত লিখি থওক। ছাত্ৰ-ছাত্ৰীসকলে তেতিয়া তেওঁলোকৰ উপস্থাপন পৰিকল্পনা কৰোঁতে আৰু পৰস্পৰৰ কাম মূল্যায়ন কৰোঁতে সেই নিয়মাৱলী ব্যৱহাৰ কৰিবপাৰিব। নিয়মাৱলীত অন্তৰ্ভুক্ত হ'ব পাৰে ঃ
  - উপস্থাপন স্পষ্ট হৈছিলনে?
  - উপস্থাপনটি সু-সংগঠিত আছিলনে?
  - উপস্থাপনটিৰ পৰা মই কিবা শিকিলোনে?
  - উপস্থাপটিয়ে মোক চিন্তাৰ খোৰাক দিলেনে?

- **সমস্যা সমাধান (Problem solving) ঃ** ছাত্ৰ-ছাত্ৰীসকলে একোটা বা কেইবাটাও সমস্যা সমাধানৰ বাবে দলত কাম কৰে। ইয়াত অন্তৰ্ভুক্ত হ'ব পাৰে বিজ্ঞানৰ কোনো সম্পৰীক্ষা চলোৱা, গণিতৰ সমস্যাৱলী সমাধান, ইংৰাজীৰ কোনো কবিতা বা গল্প বি ষণ নাইবা বুৰঞ্জীৰ কোনো প্ৰমান বি ষণ কৰা।
- **একোটা শিল্পকলা বা সামগ্ৰী সৃষ্টি কৰা (Creating an artefact or product) ঃ** ছাত্ৰ-ছাত্ৰীসকলে দলত কাম কৰি যুগুতাব একোটা সাধু বা গল্প, এখনি নাটক, এটি সংগীত, এটা ধৰাণা ব্যাখ্যা কৰিবলৈ একোটা আহি', কোনো বিষয়লৈ এটি বাৰ্ত্তা প্ৰতিবেদন অথবা তথ্যৰ সাৰাংশ বা কোনো ধাৰণা ব্যাখ্যা কৰিবলৈ এখন প'ষ্টাৰ দলসমূহক একোটা নতুন বিষয়বস্তু আৰম্ভ কৰি চিন্তন মন মানচিত্ৰ কৰিবলৈ পাঁচ মিনিট দিলে আপুনি ক'ব পাৰিব তেওঁলোকে ইতিমধ্যে কি জানে আৰু পাঠটি যথোপযুক্ত পৰ্যায়ত প্ৰদান কৰাত ই সহায় কৰিব
- **বিভিন্নধৰণৰ ত্ৰি য়া-কলাপ (Differentiated tasks) ঃ** দলত বিভিন্ন বয়স বা সক্ষমতা পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে একোটা যথোপযুক্ত কাম একেলগে কৰিবলৈ সুযোগ লাভ কৰে। উচ্চ সমৰ্থবান সকলে কামটো ব্যাখ্যা কৰিবলৈ পোৱা সুযোগৰ পৰা লাভান্বিত হ'ব, আনহাতে নিম্নতৰ সমৰ্থবান সকলে এটা শ্ৰেণীতকৈ দল এটাত প্ৰ. সুধিবলৈ অধিক সহজ পাব আৰু তেওঁলোকৰ শ্ৰেণীৰ লগৰীয়াসকলৰ পৰা শিকিব।
- **আলোচনা (Discussion) ঃ** ছাত্ৰ-ছাত্ৰীসকলে একোটা বিষয় ঠিৰাং কৰে আৰু এটা সিদ্ধান্তত উপনীত হয়। ইয়াৰ বাবে আপোনাৰ নিজৰ যথেষ্ট প্ৰস্তুতিৰ প্ৰয়োজন আছে যাতে বিভিন্ন বিকল্প ঠিৰাং কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ যে পৰ্যাপ্ত জ্ঞান আছে সেইয়া আপুনি নিশ্চিত হ'ব পাৰে। কিন্তু একোটা আলোচনা বা বিতৰ্ক সংগঠিত কৰাটো আপোনাৰ আৰু তেওঁলোকৰ উভয়ৰে বাবে অতি লাভদায়ক হ'ব পাৰে।

দলসমূহ সংগঠিতকৰণ (Organising groups)

চাৰিজনীয়াৰ পৰা আঠজনীয়া দল আদৰ্শনীয় কিন্তু ই নিৰ্ভৰ কৰিব আপোনাৰ শ্ৰেণীৰ আকাৰ, স্থানীয় পৰিৱেশ আৰু আচ-বাব আৰু আপোনাৰ শ্ৰেণীৰ অৰ্হতা প্ৰাপ্তি আৰু বয়সৰ পৰিসৰৰ ওপৰত। সাধাৰণতে, একোটা দলৰ প্ৰত্যেকেই প্ৰত্যেকক দেখি থকা, নিচিঞ্ৱাকৈ কথা পতা আৰু দলটিৰ ফলাফললৈ বৰঙণি আগবঢ়োৱা আৱশ্যক।

- ঠিৰাং কৰক কেনেকৈ আৰু কিয় আপুনি ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰিব, উদাহৰণস্বৰূপে - দলসমূহক বন্ধুত্ব, ৰুচী বা একেধৰণৰ অথবা মিশ্ৰিত আহৰণৰ ভিত্তিত আপুনি বিভাজিত কৰিব পাৰে।
- বিভিন্ন পন্থা পৰীক্ষা কৰি চাওক আৰু প্ৰত্যেক শ্ৰেণীৰ বাবে কোনটো সৰ্বোত্তম কাৰ্যকৰী হয় তাক পৰ্যালোচনা কৰক।

দলগত কাৰ্য ব্যৱস্থাপনা Managing groupwork

ভাল দলগত কাৰ্য ব্যৱস্থাপনা কৰিবলৈ আপুনি সময়সূচী আৰু নিয়মাৱলী ঠাৱৰ কৰি লওঁক। যেতিয়া আপুনি নিয়মীয়াকৈ দলগত কাৰ্য ব্যৱহাৰ কৰে, ছাত্ৰ-ছাত্ৰীসকলে জানিব আপুনি কি আশা কৰে আৰু ইয়াক আনন্দদায়ক পাব। প্ৰথমতে দলীয় বা দলগতভাৱে একেলগে কাম কৰাৰ লাভালাভসমূহ চিনাক্তকৰণৰ অৰ্থে আপোনাৰ শ্ৰেণীটোৰ সৈতে কাম কৰাটো এটা ভাল ধাৰণা। আপোনালোকে আলোচনা কৰা উচিত কিহে ভাল দলগত আচৰণ প্ৰস্তুত কৰে আৰু সম্ভৱতঃ এখন 'নিয়ম'ৰ তালিকাসৃষ্টি হ'ব যাক প্ৰদৰ্শন কৰি থ'ব পৰা যাব, উদাহৰণস্বৰূপে - পৰস্পৰৰ প্ৰতি সন্মান, শ্ৰৱণ, পৰস্পৰক সহায় কৰা, একাধিক ধাৰণা চেষ্টা কৰি চোৱা ইত্যাদি।

দলগত কাৰ্য সম্পৰ্কে সুস্পষ্ট মৌখিক নিৰ্দেশনা দিয়া তথা প্ৰসংগৰ বাবে কৃষ্ণ ফলকত সেইয়া লিখি থোৱাটো অতি আৱশ্যক। আপোনাৰ প্ৰয়োজন ঃ

- আপোনাৰ আঁচনি অনুসৰি যি যি দলত কাম কৰিব ছাত্ৰ-ছাত্ৰীসকলক সেইমতে নিৰ্দেশিত কৰক, বোধ হয় শ্ৰেণীকোঠাৰ যি অঞ্চলত তেওঁলোকে কৰিব তাক ঠিক কৰি দিয়ক নাইবা কোনো আচ-বাব বা স্কুল বা আঁতৰ কৰিবলৈ নিৰ্দেশনা দিয়ক।
- কাৰ্যটি সম্পৰ্কে স্পষ্ট হৈ লওক আৰু ইয়াক চমু নিৰ্দেশাৱলী বা ছবিৰে ব'ৰ্ডত লিখি দিয়ক। আপুনি আৰম্ভ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলক প্ৰ. সুধিবলৈ দিয়ক।

পাঠদানৰ সময়ত দলসমূহে কেনেদৰে কৰিছে ঘূৰি ফুৰি পৰ্যবেক্ষণ আৰু নিৰীক্ষণ কৰক। য'ত আৱশ্যক হয় পৰামৰ্শ আগবঢ়াওক যদিহে কামটোৰ পৰা তেওঁলোক আঁতৰি যায় বা থমকি ৰয়।

কামটোৰ সময়তে আপুনি হয়তো দলসমূহ সলাব খুজিব। যেতিয়া দলগত কাৰ্য সম্পৰ্কে আপুনি আস্থাশীল অনুভৱ কৰে, আপুনি প্ৰয়াস কৰি চাবলৈ ইয়াত দুটা কৌশল দিয়া হ'ল - বিশেষকৈ একোটা বৃহৎ শ্ৰেণী ব্যৱস্থাপনা কৰোঁতে এইবোৰে সহায় কৰিব ঃ

- **সুদক্ষ দল (Expert groups)** ঃ প্ৰতিটো দলকে বিভিন্ন কাম দিয়ক, যেনে - বিদ্যুৎ উৎপাদন কৰাৰ এটি উপায় গৱেষণা উদ্ভাৱন কৰা বা এখন নাটকৰ বাবে এটি চৰিত্ৰ সৃষ্টি কৰা। এক সুবিধাজনক সময়ৰ পাছত দলসমূহ পুনৰ্গঠিত কৰক যাতে প্ৰতিটো নতুন দল আটাইবোৰ মূল দলৰ পৰা অহা একেগৰাকীকৈ 'সুদক্ষ' সদস্য থকাকৈ গঠিত হয়। এতিয়া তেওঁলোকক এটা কাম দিয়ক যে সকলো 'সুদক্ষ' ৰ পৰা জ্ঞান সংগৃহীত হয়, যেনে - কেনেধৰণৰ শক্তি কেন্দ্ৰ সাজিব লাগিব সেইয়া ঠিৰাং কৰা নাইবা এখনি নাটক প্ৰস্তুত কৰা।
- **দূত (Envoys)** ঃ যদিহে কামটোত কিবা সৃষ্টি কৰা বা এটা সমস্যা সমাধানৰ কথা জড়িত হৈ থাকে তেনেহ'লে ক্ষন্তেক পাছতে প্ৰতিটো দলক এগৰাকীকৈ 'দূত' আন এটা দললৈ পঠিয়াবলৈ কওক। তেওঁলোকে ধ্যান-ধাৰণাসমূহ নাইবা সমস্যাটোৰ সমাধানবোৰ তুলনা কৰি চাব পাৰে আৰু তাৰ পাছত নিজ নিজ দললৈ আহি প্ৰতিবেদন দিব পাৰে। এনেদৰে দলবোৰে পৰস্পৰৰ পৰা শিকিব পাৰিব।

কাৰ্যটিৰ শেষত যি শিকা হ'ল তাৰ সাৰাংশ উলিয়াওঁক আৰু আপুনি দেখা কোনো ভুল বুজাবুজিখিনি শুধৰাই দিয়ক। প্ৰত্যেক দলৰ পৰা আপুনি প্ৰতিপুষ্টি শুনিবলৈ বিচাৰিব পাৰে নাইবা যি এটা বা দুটা দলৰ কোনো ভাল ধ্যান-ধাৰণা থকা বুলি আপুনি ভাৱে তেওঁলোকক কেৱল সুধিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবেদন চমুকৈ ৰাখক আৰু আন দলৰ কামৰ পৰা কি ভালকৈ কৰা হৈছে, কি মনোগ্ৰাহী আছিল আৰু কি অধিক বিকাশ কৰিব লাগিব চিনাক্ত কৰি প্ৰতিপুষ্টি আগবঢ়াবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰক।

আপুনি আনকি আপোনাৰ শ্ৰেণীকোঠাত দলগত কাৰ্য কৰাবলৈ খুজিলেও কোনো কোনো সময়ত তাক সংগঠিত কৰাত টান পাব পাৰে কাৰণ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ঃ

- সক্ৰি য় শিকনত বাধা দিয়ে আৰু নিয়োজিত নহয়
- আগ্ৰাসী হয় বা প্ৰভূত্বশীল হয়
- আন্তঃব্যক্তি কৌশলসমূহৰ অভাৱৰ বাবে বা আস্থাহীনতাৰ বাবে অংশগ্ৰহণ নকৰে।

দলগত কাৰ্য ব্যৱস্থাপনা কাৰ্যকৰী কৰিবলৈ হ'লে ওপৰত দিয়া আটাইবোৰ মূল কথা পুনঃ বিবেচনা কৰাটো প্ৰয়োজন, তদুপৰি শিকন ফলাফলসমূহ কিমানদূৰ পোৱা গ'ল আৰু কিমান ভালদৰে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে সঁহাৰি জনালে (তেওঁলোক আটায়ে উপকৃত হ'লনে?) নিশ্চিত কৰা উচিত। দলীয় কাৰ্যটিত সংযোজিত কৰিবলৈ আপুনি সযতনে বিবেচনা আৰু পৰিকল্পনা কৰক, সমলসমূহ, সময় বা দলসমূহৰ উপাদান ঠিক কৰি লওক।

গৱেষণাই পৰামৰ্শ দিছে যে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আহৰণৰ বাবে ইতিবাচক প্ৰভাৱ পেলাবলৈ সকলো সময়তে দলত শিকনৰ প্ৰয়োজন নাই, গতিকে প্ৰতিটো পাঠতেই ইয়াক ব্যৱহাৰ কৰাৰ বাধ্যবাধকতা সম্পৰ্কে আপুনি ভাবিব নালাগে। দলগত কাৰ্যক এক অতিৰিক্ত পদ্ধতি হিচাপে ব্যৱহাৰ কৰিবলৈ আপুনি ঠিৰাং কৰিব পাৰে, উদাহৰণস্বৰূপে, একেটা বিষয়বস্তু সলনি কৰাৰ বিৰতি হিচাপে নাইবা শ্ৰেণীত আলোচনা তাৎক্ষণিকভাৱে আৰম্ভ কৰাৰ বাবে পৰীক্ষামূলক শিকন ক্ৰি য়া-কলাপৰ আৰম্ভণি বা সূচনাকাৰী আৰু শ্ৰেণীকোঠাৰ সমস্যা সমাধানৰ অনুশীলনী অথবা বিষয়বস্তুসমূহ পৰ্যালোচনা কৰাৰ কাৰ্য হিচাপেও ইয়াক ব্যৱহাৰ কৰিব পৰা যায়।

Additional resources

- Karadi Tales: http://www.karaditales.com/
- National Book Trust India: http://www.nbtindia.gov.in/
- NCERT textbooks: http://www.ncert.nic.in/NCERTS/textbook/textbook.htm
- Teachers of India classroom resources: http://www.teachersofindia.org/en

References/bibliography

Bromley, H. (2000) *Book-based Reading Games.* London: Centre for Literacy in Primary Education.

Bryant, P. and Nunes, T. (eds) (2004) *Handbook of Children's Literacy.* Dordrecht: Kluwer Academic Publishers.

Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell.* London: Centre for Literacy in Primary Education.

Goswami, U. (2010a) 'Phonology, reading and reading difficulties' in Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) *Interdisciplinary Perspectives on Learning to Read.* London: Routledge.

Goswami, U. (2010b) 'A psycholinguistic grain size view of reading acquisition across languages' in Brunswick, N., McDougall, S. and Mornay-Davies, P. (eds) *The Role of Orthographies in Reading and Spelling.* Hove: Psychology Press.

Graham, J. and Kelly, A. (2012) *Reading under Control: Teaching Reading in the Primary School.* London: Routledge.

Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (2010) *Interdisciplinary Perspectives on Learning to Read: Culture, Cognition and Pedagogy.* London: Routledge.

Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

'The Puri Boy': a traditional tale adapted and developed by the RVEC (http://www.rvec.in/).

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.